# NSD NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 12-01-2025
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ত কালি অনুষ্ঠিত এখন ভোগালী মেলাত উপস্থিত হৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ভোগৰ উৎসৱ ভোগালী বিহুৰ বাবে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ মেলাৰ প্ৰতিখন বিপণী পৰিদৰ্শন কৰি দৈ, ক্ৰীম, গুৰ, লাড়ু-পিঠা আদিৰ সোৱাদ লয়। উল্লেখযোগ্য যে, ভোগালী বিহুলৈ মাজত মাথো আজিৰ দিনটো থকা অৱস্থাত ৰাজ্যজুৰি এতিয়া ভোগালীৰ উছাহ পৰিলক্ষিত হৈছে। কাইলৈ উৰুকা। ভোগালী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৰাজহুৱা স্থান, পথাৰত ভিন ভিন আৰ্হিৰে ভেলাঘৰ আৰু মেজি প্ৰস্তুত কৰি তোলা হৈছে। গ্ৰামাঞ্চলত ঘৰে ঘৰে ঢেঁকীৰ শব্দই বিহুৰ পৰিৱেশৰ সৃষ্টি কৰিছে। ঘৰে ঘৰে ভোগালীৰ পিঠা-পনা, সুস্বাদু জলপান প্ৰস্তুত কৰাৰ লগতে বজাৰ-সমাৰতো ভোগালীৰ সম্ভাৰ থকা বিপনী দেখা গৈছে। ইপিনে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত বিভিন্ন জিলাত ভোগালী মেলাৰ আয়োজন কৰা হৈছে। এই ভোগালী মেলাসমূহত বিভিন্ন আত্মসহায়ক গোটৰ লগতে স্থানীয় মহিলাসকলে পিঠা-পনা, বস্ত্ৰ আদি লৈ অংশ গ্ৰহণ কৰিছে। মেলাৰ লগত সংগতি ৰাখি মহিলাসকলৰ মাজত থলুৱা খেল-ধেমালিৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

০০০০

ৰাজভৱনত কালি আয়োজন কৰা প্ৰাক ভোগালী উৎসৱত সংবাদ মাধ্যমৰ লোকসকলৰ সৈতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই মত বিনিময় কৰে। তেওঁ ভোগালী বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছাও জ্ঞাপন কৰে। কালি অনুষ্ঠিত সংবাদমেলত ৰাজ্যপালগৰাকীয়ে কয়, যে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বিচৰা ৰাজ্যৰ ৫১২ গৰাকী শিক্ষাৰ্থীৰ বাবে ৰাজভৱনৰ পৰা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ একাংশ সম্পাদক আৰু সাংবাদিকক আমন্ত্ৰণ কৰি অনুষ্ঠিত কৰা এই প্ৰাক ভোগালী উৎসৱত তেওঁ লগতে কয়, যে প্ৰশিক্ষণ গ্ৰহণ কৰিবলগীয়া ৫১২ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৫০০ গৰাকীক অনলাইন ব্যৱস্থাৰে আৰু আন ১২ গৰাকীক অফলাইন ব্যৱস্থাৰে প্ৰশিক্ষণ প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই শিক্ষাৰ্থীসকলে যাতে লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক আৰু মূল পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে, তাৰ বাবে ৰাজভৱনৰ তৰফৰ পৰা বিভিন্ন সুবিধা দিয়া হ'ব বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

দিব্যাংগ ব্যক্তিসকলৰ লগতে কলা আৰু সাংস্কৃতিক কৰ্মী, সামাজিক কৰ্মী, সাহিত্যিক আদি বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিক উৎসাহ দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি ৰাজ্যপাল আচাৰ্যই লগতে কয়, যে এনে ব্যক্তিক সম্বৰ্ধনা আৰু বঁটা প্ৰদান কৰাৰো ব্যৱস্থা লোৱা হৈছে। অসমৰ জনসাধাৰণে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ পৰম্পৰাৰে বিভিন্ন উৎসৱক আদৰ-সন্মান জনোৱা কাৰ্যৰো ৰাজ্যপালগৰাকীয়ে শলাগ লয়।

০০০০

ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশনৰ আজি অন্তিম দিন। আজিৰ কাৰ্যসূচীত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত বড়ো সাহিত্য সভাৰ সভাপতি ড° সুৰথ নাৰ্জাৰীৰ সঞ্চালনাত হ'বলগীয়া মুকলি অধিৱেশনত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে মেঘালয় আৰু ছিকিমৰ মুখ্যমন্ত্ৰীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাগ ল'ব। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এই মুকলি সভা উদ্বোধন কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই কোকৰাঝাৰ কেন্দ্ৰৰ সহযোগত আজিৰ মুকলি অধিৱেশনৰ কাৰ্যসূচী পোনপটীয়াকৈ প্ৰচাৰ কৰিছে।

অধিবেশনৰ কালি তৃতীয় দিনা পতাকা উত্তোলন কৰি দিয়া ভাষণত সভাপতি ড° সুৰথ নাৰ্জাৰীয়ে বড়ো ভাষাত এখন বিশ্বকোষ প্ৰকাশৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰে। বড়ো ভাষাৰ উত্তৰণৰ বাবে তথা নৱ প্ৰজন্মই ভাষাটো শুদ্ধৰূপত চৰ্চা কৰিব পৰাকৈ চাৰিটা ভাষাৰ পূৰ্ণাংগ অভিধান এখন ইতিমধ্যে প্ৰণয়ন কৰি প্ৰকাশ কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। অধিৱেশনৰ অংশ হিচাপে বড়ো সাহিত্য সভাৰ প্ৰয়াত কাণ্ডাৰীসকলক স্মৰণ কৰি কালি আয়োজন কৰা শ্ৰদ্ধাঞ্জলি তৰ্পণৰ লগতে সম্বৰ্ধনা আৰু শিল্পী সাহিত্যিকক বঁটা প্ৰদান অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মা, প্ৰাক্তন উপ-সভাপতি মৃণালিনি দেৱী, ডিমাচা সাহিত্য সভাৰ সভাপতি আলো নুনিছা থাউছেন, গাৰো সাহিত্য সভাৰ প্ৰধান সম্পাদক জনকেৰি ছাংমা আৰু মিছিং সাহিত্য সভাৰ প্ৰধান সম্পাদক সুমেশ্বৰ পকটাককে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৭ বাজি ৪৫ মিনিটত ইয়াৰ সাপ্তাহিক সংবাদ চলন্তিকা অনুষ্ঠানত **ভোগালীৰ উৰুকাত অসমবাসীয়ে থলুৱা মাছৰ সোৱাদ ল'ব পাৰিবনে?** শীৰ্ষক এটা অনুষ্ঠান প্ৰচাৰ কৰিব। ইয়াত ৰাজ্যখনৰ কেইবাগৰাকীও বিশিষ্ট মীন পালক আৰু আমাৰ সংবাদদাতাসকলে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সম্পাদক দেৱজিত বৰাই স্বদেশ আৰু স্বজাতিৰ সেৱাত নৱ প্ৰজন্ম উদ্বুদ্ধ হোৱা উচিত বুলি মন্তব্য কৰে। কালি যোৰহাটৰ অগ্ৰণী শিক্ষানুষ্ঠান মালৌ আলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত ৰাজহুৱা অভিনন্দন অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে চন্দ্ৰকান্ত সন্দিকৈ ঐতিহ্য ভৱনে সকলোকে আদৰি লব আৰু অসম সাহিত্য সভাৰ দুৱাৰ সকলোৰে বাবে মুকলি আছে।

০০০০

সমাপ্ত